# HOME ASSIGNMENT

Paper Name : Ankiya Nat or Bhaona

Paper Code : SAT - HG - 3016

Topic : অংকীয়া নাটৰ উৎপত্তি আৰু বিকাশত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ আৰু অন্যান্য সত্ৰৰ ভকতসমূহৰ ভূমিকা কেন্দ্ৰৰ নৰ আলোচনা কৰা


Submited by

Name : Rimjhim Saikia

Roll No : UA - 191 - 294 - 0322

Registration No : 19087791

ক) অসমীয়া নাটৰ উৎপত্তি আৰু বিকাশত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰী শ্ৰী মাধৱদেৱ আৰু অন্যান্য সত্ৰৰ ভকতসকলৰ ভূমিকা কেনেধৰণৰ আলোচনা কৰা।

⇒ অসমীয়া নাট বুলিলে মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱ আৰু মাধৱদেৱে পৌৰাণিক আখ্যানৰ ভিত্তিত ব্ৰজাৱলী ভাষাত ৰচনা কৰা নাটসমূহ। মহাপুৰুষ দুজনাই তেওঁ লোকে ৰচনা কৰা নাটসমূহক যাত্ৰা ঝুমুৰা বুলিছিল। পৰৱৰ্তী কালত কোনো কোনো বৈষ্ণৱ ভকতেহে ইয়াক 'অংকীয়া নাট' বুলিও কোৱা হয়। ভাওনা শব্দৰ প্ৰকৃত অৰ্থ 'ভাও দি দেখুওৱা কাৰ্য'।

মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱকেই অংকীয়া নাটৰ জনক বোলা হয়। এই অংকীয়া নাটৰ উৎপত্তিৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে প্ৰাচীন অসমৰ নাট্যানুষ্ঠানৰ কথাও আলোচনা কৰা সমীচীন হ'ব। 'British Drama' নামৰ গ্ৰন্থৰ লেখক A. Nicoll-এ মন্তব্য কৰিছে যে প্ৰাচীন গ্ৰীচ দেশৰ নাটকৰ উৎপত্তি ধৰ্মমূলক। ঠিক তেনেদৰে ডঃ সাৰ্বন বৰুৱা ভট্টাচাৰ্যয়ো

কোহলৰ ৰচিত 'নাট্যতত্ত্ব মীমাংসা' নামৰ গ্ৰন্থত ভাৰতীয় নাটকবোৰ উৎপত্তি ধৰ্মমূলক বুলি মন্তব্য কৰিছে।

প্ৰাচীন কালত ধৰ্মীয় অনুষ্ঠানবোৰ সম্পাদন কৰোঁতে কোনো দেৱ-দেৱীৰ সন্মুখত নৃত্য কৰাৰ নিয়ম প্ৰচলিত আছিল। কালিদাসৰ 'মেঘদূত' কাব্যত পাওঁ —

"পাদন্যাসৈঃ ক্বণিতৰশনাস্তত্ৰ
লীলাৱধূতৈঃ
... ... ... ... ...
বেশ্যাস্ত্বত্তো নখপদসুখান প্ৰাপ্য
বৰ্ষাগ্ৰবিন্দুন্
আমোক্ষ্যন্তে ত্বয়ি মধুকৰশ্ৰেণিদীৰ্ঘান
কটাক্ষান্ ॥"

প্ৰাক্-শংকৰী যুগত ৰচিত হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ'ত অৰ্জুনে বব্ৰুবাহনক নাটিনীৰ পুত্ৰ বুলি উপহাস কৰাৰ উল্লেখ আছে —

"নাটিনী মাৱৰ তোৰ নাটৰ আচাৰ।
নটীৰ ছৱালে কি কৰিবি ৰাজ্যভোৰ।
শৰৰ উৰু কৰচক পাচ কৰি থৈছো।
চাকি বাকি পালত সুন্দৰ লোই লৈছো॥"

এসবৰ উদ্ধৃতিৰ পৰা নৃত্য কলা অসমৰ সমাজত প্ৰচাৰ প্ৰমাণ পোৱা যায়। গান বহুতো গ্ৰন্থত এনে বিৱৰণ পোৱা যায়।

অসমীয়া নাট্যৰ উৎপত্তিৰ পৰিক্ৰমাৰ পৰ্যালোচনা কৰি চালেও প্ৰাচীন অসমত প্ৰচলিত দেওধনী, ওজাপালি নৃত্য আদিৰ কথা মনলৈ আহে। অসমৰ হাজোৰ মাধৱ মন্দিৰ, ডুবিৰ পাৰিহৰেশ্বৰ দেৱালয় আৰু বিশ্বনাথৰ শিৱ মন্দিৰত নট-নটীৰ নৃত্য-গীত-অভিনয় প্ৰচলনৰ বুৰঞ্জীও অতি প্ৰাচীন। আজিও অসমৰ বহু ঠাইত জনবিনোদনৰ অনুষ্ঠান অৰ্থাৎ দেৱতাৰ সন্মুখত নৃত্য কৰাৰ নিয়মৰ প্ৰচলন আছে। নৃত্য কৰা মহিলাসকলক দেৱদাসী বোলে।

প্ৰাচীন অসমত পুতলা নাচৰো উল্লেখ পোৱা যায়। মহাভাৰতৰ কৰ্ণ-পৰ্ব আৰু উদ্যোগ-পৰ্বত পুতলা নাচৰ উল্লেখ আছে। 'কথা সৰিৎ সাগৰ', 'ভাগৱত' আদি পৰৱৰ্তী গ্ৰন্থতো 'পুত্তলিকা অভিনয়ৰ উল্লেখ আছে। পুতলাৰ অভিনয়ৰ যোগেদি একোটা কাহিনী ৰূপায়িত কৰা হয়। জাৰ্মান পণ্ডিত ড: পিচেল-এ মন্তব্য কৰিছে যে ভাৰতীয় নাট্য সাহিত্যৰ ভেটি পুতলা নাচেই।

অৱশেষে এই মত গ্ৰহণযোগ্য হৈ নুঠিল । শঙ্কৰদেৱৰ ৰাসক্ৰীড়া বৰ্ণনাতো পুতলা নাচৰ উল্লেখ পোৱা যায় ।

"ভকতৰ পদে দেখাই মনুষ্যক চেষ্টাক ।
গোপীক নাচান্ত যেন ছায়া পুতলাক ॥
ছায়া পুতলাক যেন নচায় যতনে ।
চেটকীয় যেন জড় পুতলাক যন্ত্ৰত তুলি নচায়ে ॥"

প্ৰাচীন অসমত দুবিধ পুতলা নাচৰ প্ৰচলন থকাৰ কথা জনা যায় । এবিধ 'ছায়া পুতলা' আৰু আনবিধ 'দাৰু পুতলা' । প্ৰথম বিধত পৰ্দাত ছাঁ পেলাই আৰু আনবিধত মঞ্চত অভিনয় কৰোৱাই প্ৰদৰ্শন কৰোৱা হয় । এই পুতলা নাচত এজন বায়ন, এজন দাইনা - পালি, দুজন পালি আৰু এজন পুতলা নচুওৱা সূত্ৰধাৰ থাকে । সূত্ৰধাৰে ওঁৰকাপোৰৰ আৰত থাকি সূক্ষ্ম ৰচিৰে সংযোগ কৰা পুতলাবোৰ নচুৱায়, পেঁপা বজাই আৰু বিভিন্ন অসমত পুতলাৰ বিভিন্ন মাত মাতে ।

শঙ্কৰদেৱৰ অঙ্কীয়া নাট ৰচনাৰ আঁৰত এই পুতলা নাচৰ প্ৰভাৱ মন কৰিবলগীয়া । আনহাতে ওজাপালি আৰু পুতলা নাচৰ মাজত যথেষ্ট সাদৃশ্য আছে ।

বুৎপত্তিগত অৰ্থৰ ফালৰ পৰা চালে দেখা যায় যে অংকীয়া নাটৰ অৰ্থ 'একাংকিকা নাটক'। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে তেওঁলোকৰ নাটসমূহক 'নাট', 'নাটক' বা 'যাত্ৰা' আদি নামেৰে অভিহিত কৰিছিল। 'অংকীয়া নাট' শব্দটি তুলনামূলক ভাৱে আধুনিক শব্দ। নাট বুজোৱা শব্দ 'অংক' ৰ লগত 'ঈয়া' প্ৰত্যয় লগলগাই পিছৰ কালৰ বৈষ্ণৱ সমাজে এই শব্দক বিশেষণ ৰূপত ব্যৱহাৰ কৰিবলৈ লয়। এই শব্দ সৰ্বপ্ৰথমে ব্যৱহৃত হয় গুৰু দুজনাৰ অন্যতম শিষ্য দৈত্যাৰি ঠাকুৰ আৰু ৰামচৰণ ঠাকুৰৰ দ্বাৰা ৰচিত চৰিত পুথিত। গুৰু দুজনাৰ দ্বাৰা ৰচিত নাটসমূহৰ লিখিত পাঠক অংকীয়া নাট আৰু সেই পাঠসমূহৰ নাট্য প্ৰদৰ্শনক অংকীয়া ভাওনা বুলি কোৱা হয়।

সংস্কৃত নাট্যশাস্ত্ৰত অংক শব্দৰ অৰ্থ হ'ল 'চিহ্ন', অৰ্থাৎ নাটকীয় কাহিনীৰ স্তৰ চিহ্নিত কৰা বিভাগ। গতি এই অংক শব্দৰ পৰাই অংকীয়া শব্দৰ সৃষ্টি হৈছে বুলি মত পোষণ কৰে কোনো কোনো পণ্ডিতে। তেওঁলোকে কয় যে "অংক মাজে যাৰ আছে, সেয়ে অংকীয়া"।

অঙ্কীয়া নাটৰ উদ্ভৱ সম্পৰ্কত সত্যেন্দ্ৰনাথ শৰ্মাদেৱে তেখেতৰ 'অঙ্কীয়া নাটৰ উৎপত্তি আৰু বৈশিষ্ট্য' নামৰ প্ৰবন্ধত মতপোষণ কৰিছে এইদৰে, "... মহাপুৰুষ দুজনৰ নাটত যি কলা কৌশল আৰু ভাষা প্ৰয়োগ হৈছিল পিছৰ নাট বিশেষাত্মকলে তাৰ পৰা ভালেখিনি ফালৰি কাটি থৈছিল। ব্ৰজাৱলী পৰিহৃত হ'ল, নান্দীশ্লোক, ভটিমা আদিও নোহোৱা হ'ল। ইতিকে মহাপুৰুষ দুজনৰ নাট বা সেই আঁচত চলা নাটসমূহক পিছৰ নাটৰ পৰা পৃথক কৰি দেখুৱাবৰ নিমিত্তে 'অঙ্কীয়া নাট' বুলিবলৈ হৈছে।"

আনহাতে, বিৰিঞ্চি কুমাৰ বৰুৱাই, "আমাৰ ভাওনাত আঙ্গিক অভিনয়েই ঘাই, সেই দেখি 'অঙ্গ' শব্দৰ পৰাই 'অংক' শব্দটো উদ্ভৱ হোৱা সম্ভৱ" বুলি মত পোষণ কৰিছে।

মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱৰ দ্বাৰা পৰিবেশিত সৰ্বপ্ৰথম নাট বা ভাওনা আছিল 'চিহ্নযাত্ৰা', এই চিহ্নযাত্ৰা পৰিবেশনৰ বাবে গুৰুজনাই সাত বৈকুণ্ঠৰ চিত্ৰপট অংকন কৰিছিল। এই কথাকে ভেঁটি হিচাপে লৈ 'সত্ৰাৱলী' নামৰ চৰিত পুথিত অংকীয়া শব্দৰ ব্যৱহাৰ সম্পৰ্কে কোৱা হৈছে এইদৰে, "অংকিত কৰিলা দেখি অংকীয়া যে

নাম"। নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে তেওঁৰ 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা' নামৰ গ্ৰন্থত এই মতক সঙ্গতিপূৰ্ণ বুলি অভিহিত কৰি মতামত আগবঢ়াইছে এনেদৰে, "উক্ত যুক্তিৰ মতে অংকীয়া শব্দৰ অৰ্থ হ'ল নাটকত অভিনেতা সকলক ৰং বৰণ আদি প্ৰলেপ কৰোৱা বা বিভিন্ন প্ৰকাৰে চিত্ৰসহ আঁকি মুখা আদি অংকন কৰি দৰ্শক সকলক দেখুওৱাৰ কাৰণে অংকীয়া নাম পালে। চিহ্নযাত্ৰা কালত যিবিলাক মুখা নিৰ্মাণ কৰা হৈছিল আৰু চিত্ৰত যিবিলাক ব্যক্তিক চিত্ৰিত কৰা হৈছিল, সেয়েই পিছত অংকীয়া নাম পায় আৰু উত্তৰ কালত ৰচিত বাকী 'বাৰজোৱা' নাটকো 'অংকীয়া নাট' নামেৰে জনাজাত হয়।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ আৰু মাধৱদেৱে কেইবাবিধো উপাদান একত্ৰ কৰি অংকীয়া ভাওনাত সংযোগ কৰি দিয়ে। তাৰ ভিতৰত প্ৰধানকৈ চাৰিবিধ উপাদান হৈছে— ১/ প্ৰাচীন ভাৰতীয় নাট্যশাস্ত্ৰৰ উপাদান ২/ বিভিন্ন তীৰ্থ ভ্ৰমণ তথা সাংস্কৃতিক অনুষ্ঠানৰ পৰা লোৱা উপাদান, ৩/ স্থানীয় প্ৰচলিত - তৎকালীন সাংস্কৃতিক কাৰ্যক্ৰম উপাদান, ৪/ নিজস্ব প্ৰতিভা বিকাশ উপাদান।

বিশিষ্ট পণ্ডিত তথা 'অংকাৱলী'ৰ সম্পাদক কালিৰাম মেধি ডাঙৰীয়াই জনা অসমীয়া সকলোবিলাকৰ নাট্যানুষ্ঠানৰ প্ৰভাৱ অস্বীকাৰ কৰি একমাত্ৰ স্থানীয় উপাদানৰ দ্বাৰা, বিশেষকৈ ওজাপালিৰ প্ৰভাৱত শংকৰদেৱে অংকীয়া নাটৰ সৃষ্টি কৰিলে বুলি মন্তব্য কৰিছে।

অসমীয়া নাটৰ উদ্ভৱ সম্পৰ্কত অধ্যাপক মহিম বৰাই মতপোষণ কৰে যে গোৱালপাৰা অঞ্চলত প্ৰচলিত ভাৰীগান, কুশান গান, গোৱালিনী-যাত্ৰা আদিয়েও অসমীয়া নাটৰ সৃষ্টিত অৰিহণা যোগাইছে। অৱশ্যে এইবিলাকৰ প্ৰাচীনতা সম্পৰ্কে সন্দেহৰ অৱকাশ আছে। তদুপৰি এইসমূহত নাটকীয় উপাদানো তেনেই নগণ্য।

সত্যেন্দ্ৰনাথ শৰ্মাদেৱে তেওঁৰ 'অসমীয়া নাট্য সাহিত্য' নামৰ গ্ৰন্থখনিত মধ্যযুগীয় ভাৰতীয় কিছুমান নাট্যশৈলী অনুষ্ঠানৰ লগত অসমীয়া ভাওনাৰ কিছুমান সম্পূৰণৰ সাদৃশ্যৰ কথা উল্লেখ কৰি প্ৰভাৱশালী উপাদান হিচাপে পুতলা নাচ আৰু ওজাপালিৰ ওপৰতেই গুৰুত্ব আৰোপ কৰিছে। আৰু লগতে কেৰেলাৰ 'কুৰ্দু' আৰু সিংহলৰ 'কোলম নাটম'ৰ প্ৰভাৱৰ কথাও দাঙি ধৰিছে। পৰৱৰ্তী কালত প্ৰকাশিত আন এক প্ৰবন্ধত তেওঁলে 'যক্ষনাটক', 'গীত-গোবিন্দ', 'শ্ৰী কৃষ্ণ

কীৰ্তন', চৈতন্যদেৱৰ 'অংকৰক্লন'; 'মৈথিলী' আৰু 'মৈথিলী নেপালী নাটক' আদিৰ প্ৰসংগ উল্লেখ কৰিছে যদিও কোনো স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই।

জগদীশ চন্দ্ৰ মাথুৰে নাট্যশাস্ত্ৰ, সাহিত্য দৰ্পণ আদিতো উল্লেখ নথকা 'সাংগীতক' নামৰ এক অজ্ঞাত নাট্য পৰম্পৰাৰ প্ৰভাৱ অংকীয়া নাটকত পৰিব পাৰে বুলি অনুমান কৰিছে। কৃষ্ণনাৰায়ণ প্ৰসাদ মাগধৈও তেওঁৰ 'শংকৰদেৱ : সাহিত্যকাৰ আৰু বিচাৰক' নামৰ প্ৰবন্ধত এই মতৰ প্ৰতি সমৰ্থন আগবঢ়াইছে।

আনহাতে বৈষ্ণৱ পণ্ডিত বদন চন্দ্ৰ শইকীয়া ডাঙৰীয়াই বাকী সকলোবোৰৰ প্ৰভাৱ অস্বীকাৰ কৰি কেৱল নাট্যশাস্ত্ৰ আৰু সংস্কৃত নাট্য পৰম্পৰাই অংকীয়া নাটৰ বিকাশত অৰিহনা যোগোৱা একমাত্ৰ প্ৰভাৱী উপাদান বুলি ক'ব খোজে। শইকীয়া ডাঙৰীয়াই তেওঁৰ 'অংকীয়া নাটৰ উৎস বিচাৰ' নামৰ প্ৰবন্ধত এই বিষয়ে নিজৰ মত প্ৰকাশ কৰিছে এইদৰে, "হাজাৰ বছৰীয়া সংস্কৃত নাটকৰ ঐতিহ্য বিদ্যমান থাকোঁতে অংকীয়া নাটৰ উৎস পুতলা নাচ বা কাব্যশাস্ত্ৰ আবৃত্তিৰ মাজত বিচাৰিবলৈ যোৱাটো চকু থাকি কাণত পৰ

নিদিনা কথা।" তেওঁলোকে লগতে এই কথাও ব্যক্ত কৰে যে সৰ্বযুগীয় ভাৰতীয় বিভিন্ন পৰম্পৰাগত নাট্য শৈলীৰ মাজত যি সাদৃশ্য বা মিল দেখা যায় সেয়া এটা শৈলীয়ে আনটোৰ পৰা উপাদান ধাৰ কৰাৰ বাবে নহয় বৰং একেখন নাট্যশাস্ত্ৰকে বহুদিনাত মানি চলাৰ বাবেহে দেখা যায়।

বিজ্ঞ সমাজৰ মতে এই কথা আলোচনা হয় বা অনুমান কৰা হয় যে অংকীয়া নাটৰ সূত্ৰধাৰজন অসমত পূৰ্বৰে পৰা প্ৰচলিত ওজাপালি অনুষ্ঠানৰ ওজাজনৰে এক পৰিকল্পিত, পৰিসংস্কৃত আৰু বিকশিত ৰূপ। কিন্তু আন এক ধাৰণা মতে অংকীয়া নাটৰ সূত্ৰধাৰজনক গুৰুত্বপূৰ্ণ ভূমিকাত অৱতীৰ্ণ কৰোৱাৰ আঁৰত ওজাৰ প্ৰভাৱতকৈ অৱস্থা আৰু প্ৰয়োজনহে বেছি কাৰ্যকৰী আছিল। এই ধাৰণা পূৰ্বৰ ধাৰণাতকৈ অধিক যুক্তিযুক্ত আৰু প্ৰায়োগিক যেন ভাব হয়। এই সম্পৰ্কত বদন চন্দ্ৰ শইকীয়াদেৱে তেওঁৰ যুক্তি আগবঢ়াই-ছে এইদৰে, "শংকৰদেৱে নাট্যকলা সৃষ্টি কৰি প্ৰাথমিক অভিনয়ত নিজেই নাটৰ সকলোদিশ পৰিচালনাৰ দায়িত্ব বহন কৰিবলগীয়াত পৰিছিল। নহ'লে প্ৰশিক্ষণপ্ৰাপ্ত হ'লেও অনভিজ্ঞ

সহযোগীসকলে অভিনয়ত পদে পদে বিভ্ৰাট ঘটোৱাৰ সম্ভাৱনা । সেইবাবে সূত্ৰধাৰ চৰিত্ৰটো এনেভাৱে গঢ় দিব লগা হৈছিল যাতে অভিনয়ৰ আদিৰ পৰা অন্তলৈকে উপস্থিত থাকি তাক সুচাৰুৰূপে পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰিব পাৰে । প্ৰথম অভিনয়ত সূত্ৰধাৰৰ ভূমিকাত এজন দায়িত্বশীল অভিজ্ঞ ব্যক্তিৰ উপযোগিতা প্ৰতিপন্ন হোৱাত পৰৱৰ্তী নাটবোৰতো তাৰ অন্যথা নকৰিলে ।

গতিকে অঙ্কীয়া নাটৰ সূত্ৰধাৰ সংস্কৃত নাটকৰ সূত্ৰধাৰৰ ভেটিত দেশ-কাল-পাত্ৰৰ প্ৰয়োজন সাপেক্ষে শংকৰদেৱৰ এক মৌলিক সৃষ্টি ।"

অঙ্কীয়া নাটৰ বিকাশৰ ক্ষেত্ৰত নাট্যশাস্ত্ৰৰ প্ৰভাৱ সুস্পষ্ট ভাৱে দেখা যায় । অঙ্কীয়া ভাওনাত সূত্ৰধাৰৰ উপৰিও 'পূৰ্বৰঙ্গ', 'নান্দী', 'প্ৰৰোচনা', 'প্ৰস্তাৱনা', 'ভৰত বাক্য'ৰ অনুৰূপ 'মুক্তি-মঙ্গল ভটিমা' আদি বিভিন্ন দিশত নাট্যশাস্ত্ৰৰ নীতি-নিয়ম বহুপৰিমাণে মানি চলা হয় । অঙ্কীয়া নাটত এটাই মাত্ৰ অংক থাকিলেও তাত নাট্যশাস্ত্ৰত বৰ্ণিত 'অৱস্থা', 'সন্ধি' আৰু 'অংক' বিভাজনৰ সম্পূৰ্ণ অৱকাশ আছে । ভক্তিৰস প্ৰধান হ'লেও নাটসমূহত নাট্যশাস্ত্ৰৰ 'নৱৰস'ৰ সকলোবোৰ ৰসেই কম

যথেষ্ট পৰিমাণে আছে। সেইদৰে, অংকীয়া নাটৰ নায়ক নায়িকাও সংস্কৃত নাট্য-তত্ত্বত আলোচিত 'নায়ক-ভেদ' আৰু 'নায়িকা ভেদ'ৰ বিভিন্ন ভাৱ-বিভাৱৰ ভিতৰতে পৰে। অভিনয়ৰ ক্ষেত্ৰতো 'আঙ্গিক', 'বাচিক', 'সাত্ত্বিক' আৰু 'আহাৰ্য' এই চাৰিওবিধ অভিনয়ৰে উপাদান অংকীয়া ভাওনাত বিদ্যমান। অৱশ্যে স্থান-কাল-পাত্ৰ আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৰুজনাই ৰংগক্ষেত্ৰত নাট্য শাস্ত্ৰৰ বিধি-নিষেধবোৰ অবাধে ভংগ কৰিছে আৰু যুদ্ধ, শয়ন, ভোজন, মৃত্যু আদি দৃশ্যৰ অৱতাৰণাও কৰিছে। যি তেওঁৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰো বহন কৰিছে। তদুপৰি কোৱা বাহুল্য যে শংকৰদেৱে কোনো ক্ষেত্ৰতে সংস্কৃত নাটকৰ হুবহু অনুকৰণ কৰা নাই।

গুৰু দুজনাৰ অংকীয়া নাট বুলি ক'লে শংকৰদেৱৰ ছখন নাট — ১/ পত্নী প্ৰসাদ, ২/ কালীয় দমন, ৩/ কেলিগোপাল, ৪/ ৰুক্মিণী হৰণ, ৫/ পাৰিজাত হৰণ, ৬/ ৰাম বিজয় আৰু মাধৱদেৱৰ — ১/ চোৰ ধৰা, ২/ পিম্পৰা গুচোৱা, ৩/ ভোজন বিহাৰ, ৪/ অৰ্জুন-ভঞ্জন, ৫/ ভূমি লেটোৱা

এই পাঁচজন নাটৰ বাহিৰেও মাধৱদেৱৰ নামত কোটোৱা খেলা, ব্ৰহ্মামোহন, ভূষণ হৰণ আৰু ৰাস ঝুমুৰা - এই চাৰিখন নাট আছে। মাধৱদেৱৰ নামত থকা এইকেইখন নাটৰ উপৰিও 'ৰাস ঝুমুৰা' আৰু 'গোবৰ্দ্ধন যাত্ৰা' নামৰ দুখন নাট তেওঁ ৰচনা কৰি অভিনয় কৰাইছিল বুলি চৰিত পুথিয়ে কয়। দুজনা গুৰুৰ অসমীয়া নাটসমূহৰ ভিতৰত মাধৱদেৱৰ পূৰ্ণাংগ নাট 'অৰ্জুন ভঞ্জন'ক বাদ দি বাকীকেইখনক 'ঝুমুৰা' বুলি কোৱা হয়। 'অৰ্জুন ভঞ্জন'ক নাট বা যাত্ৰা আখ্যা দিয়া হৈছে। কিন্তু আনকেইখন নাটত তেওঁ নিজে ঝুমুৰা শব্দ ব্যৱহাৰ কৰা নাই।

শংকৰ-মাধৱৰ অব্যৱহিত কালৰ নাট্যকাৰসকলে অসমীয়া নাট ৰচনাৰ ক্ষেত্ৰত দুই-এটা পৰিৱৰ্তন আনিলেও অসমীয়া নাটৰ বৈশিষ্ট্যসমূহ ৰক্ষা কৰাত তেওঁলোক পাৰ্যমানে সজাগ আছিল। কিন্তু পিছৰ কালৰ নাট্যকাৰসকল অসমীয়া নাটৰ আদৰ্শ, ভাষা, নাটকীয় কলা-কৌশল ইত্যাদি দিশত গুৰু দুজনাৰ নাটৰ পৰা বহু পৰিমাণে আঁতৰি অহা দেখা গ'ল।

তুলনামূলকভাৱে লেখা এনে ধৰণৰ —

১/ শংকৰদেৱৰ নাটৰ প্ৰধান দিশ সুক্তিসকল ভটিমাৰ প্ৰয়োগ নাটকীয়া হ'ল।

৭ দুজনা গুৰুৰ অঙ্কীয়া নাটৰ ভক্তিৰ প্ৰাধান্যৰ পৰিবৰ্তে যুদ্ধ- বিগ্ৰহ, ৰোমাণ্টিকতাই প্ৰধান ঠাই অধিকাৰ কৰিলে ইত্যাদি

অঙ্কীয়া নাটৰ উদ্ভাৱনৰ মূলতে প্ৰাচীন অসমৰ আলোচিত লৌকিক অনুষ্ঠানৰ প্ৰভাৱ থাকিলেও ইয়াৰ গঠন কাৰ্য কিন্তু বিশেষভাৱে সংস্কৃত নাটকৰ আদৰ্শত প্ৰতিষ্ঠিত। সংস্কৃতত দশবিধ ৰূপক আছে - নাটক, প্ৰকৰণ, ভাণ, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অংক বা উৎসৃষ্টিকাংক, বীথী আৰু প্ৰহসন। ইয়াৰে ভাণ, ব্যায়োগ, অংক আৰু বীথী এক অংকবিশিষ্ট।

অঙ্কীয়া নাট শংকৰদেৱৰ সৃজনীশীল প্ৰতিভাৰ উৎকৃষ্ট স্বাক্ষৰ। নব-বৈষ্ণৱ ধৰ্মৰ আন্দোলনত সফল কৰি তোলাত এক গভীৰ ভূমিকা পালন কৰিছিল এই নাট্য ধাৰাটোৱে। সংস্কৃত নাট, অসমত প্ৰচলিত বিভিন্ন অৰ্ধ-নাটকীয় ধাৰাসমূহৰ পৰা সকল সংগ্ৰহ কৰি পঞ্চদশ শতিকাৰ মাজভাগত শংকৰদেৱে অংকীয়া নাটৰ সৃষ্টিৰে অসমীয়া নাটকৰ শুভাৰম্ভ ঘটায়। এক কথাত ক'ব পাৰি শংকৰদেৱ অসমীয়া নাটকৰ জনক। চৰিত পুথিত উল্লেখ থকা মতে মহাপুৰুষজনাই উনৈশ বছৰ বয়সত আলিপুখুৰীত থকা

কালতে চিহ্নযাত্ৰা ভাওনা সম্পন্ন কৰে আৰু ইয়াৰ দ্বাৰাই নব্য ধাৰনাৰে ধৰ্ম প্ৰচাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। তেওঁৰ হাততেই সৃষ্ট অসমীয়া নাটৰ পৰাই অসমীয়া নাটকৰ পূৰ্ণাংগ আৰু ধাৰাবাহিক ইতিহাস দেখিবলৈ পোৱা যায়। অসমীয়া নাটৰ সৃষ্টিৰ ক্ষেত্ৰত শংকৰদেৱে বিভিন্ন লোকনাট্যৰ পৰা সমল সংগ্ৰহ কৰিছিল। লোক নাট্য আৰু শাস্ক্রীয় নাট উপাদান সংমিশ্ৰণত সৃষ্ট অংকীয়া নাটসমূহে পোন প্ৰথমে অসমীয়া নাট্য পৰম্পৰাক এট দি এটি মহৎ বৈশিষ্ট্যপূৰ্ণ অৱদান আগবঢ়ালে। চৰিত পুথি আৰু বুৰঞ্জীসমূহৰ আগলৈকে অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত নাটকীয় গদ্য হিচাপেও অংকীয়া নাটৰ ভূমিকা অতুলনীয়।